পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

সত্যমেব জয়তে

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 345 দিশপুৰ, বুধবাৰ, 21 মে’, 2025, 31 ব’হাগ, 1947 (শক)

No. 345 Dispur, Wednesday, 21st May, 2025, 31st Vaisakha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 21st May, 2025

**No. LGL.08/2024/15.–** The following Act of the Assam Legislative Assembly which received the assent of the Governor of Assam on 17th May, 2025 is hereby published for general information.

**ASSAM ACT NO. XIV OF 2025**

**(Received the assent of the Hon'ble Governor of Assam on 17th May, 2025)**

## THE TIWA AUTONOMOUS COUNCIL (AMENDMENT) ACT, 2025



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)

Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:37 AM

3614152/2025/PARL.AFFAIRS-PAD



# AN
# ACT

further to amend the Tiwa Autonomous Council Act, 1995.

Preamble

Whereas it is expedient further to amend the Tiwa Autonomous Council Act, 1995, hereinafter referred to as the principal Act, in the manner hereinafter appearing ;

Assam Act No. XXV of 1995

It is hereby enacted in the Seventy-sixth Year of the Republic of India, as follows :-

Short title, extent and commencement

1. (1) This Act may be called the Tiwa Autonomous Council (Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 6

2. In the principal Act, in section 6, for sub-section (1), the following shall be substituted, namely :-

"(1) The General Council shall consist of 42 (forty-two) members of which 38 (thirty-eight) shall be directly elected and 4 (four) shall be nominated by the Government from the groups of communities residing in the Council Area and not otherwise represented in the General Council. Out of the 42 seats, 26 (twenty-six) seats shall be reserved for Scheduled Tribes community and 6 (six) seats shall be reserved for woman of any community."

Amendment of section 7

3. In the principal Act, in section 7, in sub-section (3), in the fifth line, for the punctuation mark "." appearing at the end the punctuation mark ":" shall be substituted and thereafter the following proviso shall be inserted, namely:-

"(3) Provided that if the Governor is satisfied that circumstances so exist which render holding of the elections, impracticable, beyond the term of office or the extended term, he may assume to himself all or any of the powers and functions of the General Council and the Executive Council and appoint such person, or Interim Committee or any Authority as he may specify, who shall exercise the powers and functions and duties of the Council."

Amendment of section 48

4. In the principal Act, in section 48, for sub-section (1), the following shall be substituted, namely :-

"(1) There shall be 38 (thirty-eight) constituencies in the Council area for electing members to the General Council. Each constituency shall be a single member constituency."

**GEETANJALI DAS SAIKIA,**

Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:37 AM

3614152/2025/PARL.AFFAIRS-PAD



# ২০২৫ চনৰ অসম অধিনিয়ম নং ১৪

## (২০২৫ চনৰ ১৭ মে' তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# তিৰা স্বায়ত্তশাসিত পৰিষদ (সংশোধন) অধিনিয়ম, ২০২৫

## অধিনিয়ম

## ২১ মে', ২০২৫

তিৰা স্বায়ত্তশাসিত পৰিষদ অধিনিয়ম, ১৯৯৫ ক পৰৱৰ্তী সংশোধন কৰিবলৈ এখন অধিনিয়ম।

প্ৰস্তাৱনা — যিহেতু তিৰা স্বায়ত্তশাসিত পৰিষদ অধিনিয়ম, ১৯৯৫, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত অভিহিত কৰা হৈছে , ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত ; (১৯৯৫ চনৰ অসম অধিনিয়ম নং XXV)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে :–

**সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ**

১। (১) এই অধিনিয়মখন তিৰা স্বায়ত্তশাসিত পৰিষদ (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলৱৎ হ'ব।

**ধাৰা ৬ ৰ সংশোধন**

২। মূল অধিনিয়মত, ধাৰা ৬ ত, উপ-ধাৰা (১) ৰ সলনি নিম্নলিখিত প্ৰতিস্থাপিত হ'ব, যথা :–

"(১) সাধাৰণ পৰিষদ ৪২ (বিয়াল্লিশ) জন সদস্যৰে গঠিত হ'ব যাৰ ভিতৰত ৩৮ (আঁঠত্ৰিশ) জনক প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰা হ'ব আৰু ৪ (চাৰি)জন পৰিষদ এলেকাত বাস কৰা আৰু অন্যথা সাধাৰণ পৰিষদত প্ৰতিনিধিত্ব নকৰা সম্প্ৰদায়সমূহৰ পৰা চৰকাৰে মনোনীত কৰিব। ৪২ (বিয়াল্লিশ) খন আসনৰ ভিতৰত, ২৬ (ছাব্বিছ) খন আসন অনুসূচীত জনজাতি সম্প্ৰদায়ৰ বাবে আৰু ৬(ছয়) খন আসন যিকোনো সম্প্ৰদায়ৰ মহিলাৰ বাবে সংৰক্ষিত হ'ব।"

**ধাৰা ৭ ৰ সংশোধন**

৩। মূল অধিনিয়মত, ধাৰা ৭ ত, উপ-ধাৰা (৩) ত, পঞ্চম শাৰীৰ শেষত থকা বিৰাম চিহ্ন "।" ৰ সলনি বিৰাম চিহ্ন ":" প্ৰতিস্থাপিত হ'ব, আৰু তাৰ পিছত নিম্নলিখিত অনুবিধি অন্তঃস্থাপিত হ'ব, যথা :–

"(৩) পৰন্তু যদিহে ৰাজ্যপাল সন্তুষ্ট হয় যে পৰিস্থিতি এনে ধৰণৰ সৃষ্টি হৈছে যিয়ে নিৰ্বাচন অনুষ্ঠিত কৰাটো অসাধ্য কৰি তোলে, তেখেতে, কাৰ্য্যকাল বা সম্প্ৰসাৰিত কালৰ অন্তত সাধাৰণ পৰিষদ আৰু কাৰ্য্যবাহী পৰিষদৰ সকলো বা যিকোনো ক্ষমতা আৰু কাৰ্য্যভাৰ নিজে গ্ৰহণ কৰিব পাৰে আৰু তেওঁ বিনিৰ্দিষ্ট কৰা তেনে কোনো ব্যক্তি, বা অন্তৰৰ্তীকালীন সমিতি বা কোনো প্ৰাধিকাৰীক নিযুক্তি দিব পাৰে, যিয়ে পৰিষদৰ ক্ষমতা, কাৰ্য্যভাৰ আৰু কৰ্তব্যসমূহ সম্পাদন কৰিব।"

**ধাৰা ৪৮ ৰ সংশোধন**

৪। মূল অধিনিয়মত, ধাৰা ৪৮ ত, উপ-ধাৰা (১) ৰ সলনি নিম্নলিখিত প্ৰতিস্থাপিত হ'ব, যথা :–

"(১) সাধাৰণ পৰিষদলৈ সদস্য নিৰ্বাচনৰ বাবে পৰিষদ এলেকাত ৩৮ (আঁঠত্ৰিশ) টা সমষ্টি থাকিব। প্ৰত্যেক সমষ্টি একক সদস্য সমষ্টি হ'ব।"

**গীতাঞ্জলী দাস শইকীয়া,**

সচিব, অসম চৰকাৰ,

বিধান বিভাগ, দিছপুৰ, গুৱাহাটী-৬

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 689 - 10 + 10 - 21 - 05 - 2025. (visit at– dpns.assam.gov.in)



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 10:37 AM